# গো-ৰহস্য

আৰু

# সৰহ শস্য



শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা

যোৰহাট।

১৯৫৪

মূল্য—।০ অনা

# যোৰহাট ককিলামুখ গো-পালন সমিতিৰ

## "গো-পালন পুস্তকাৱলীৰ"

## দ্বিতীয় পুথি ।

---

২য় সংস্কৰণ ।

প্ৰকাশক,

শ্ৰীগৌৰীচৰণ বৰকটকী ।

বৰকটকী কোম্পানী,

যোৰহাট ।

১৯৫৪

---

অন্নদা প্ৰিন্টিং হাউচত,

শ্ৰীগৌৰীচৰণ বৰকটকীৰ দ্বাৰা

ছাপা কৰা হল ।

কৃষ্ণায় নমঃ।



# গো-ৰহস্য আৰু সৰহ শস্য

## "গো" শব্দৰ অন্বয়

ত্ৰিগুণ ব্ৰহ্মাণ্ড জোন বেলি বেদ।
গো শবদৰ নানা অৰ্থ ভেদ॥
বেদক বুজিবা ঈশ্বৰৰ বাণী।
বেদ লোপে হয পৃথিবীৰ হানি।
ত্ৰিগুণ বিনাই আকৃতি-প্ৰকৃতি।
নোহে চৰাচৰ সৃষ্টি স্থিতি॥
ব্ৰহ্মাণ্ড বিনে জীৱ চাৰি মুঠি।
ৰ'ব কত, ভাবি বুদ্ধি হয় বুটি॥
জোন বেলি বিনে শ্যামলা ধৰণী।
শুকানী ৰূপত নেপাব তৰণি॥
জানিবা সিদৰে নহলেও পক।
নৰ মনিচৰ ছিগি যাব ঠেক॥

## পৃথু ৰজাৰ ধেনু-ৰূপী পৃথিৱী দোহন

চতুৰ্থ স্কন্ধ ভাগৱত লোৱা।
পৃথু নৃপতিৰ উপাখ্যান চোৱা॥
অকালে ধৰাত যত লোক চয়।
অন্ন অভাৱে ক্ষুধায়ে মৰয়॥
পৃথুৰ ক্ৰোধত পৃথিৱী পৰিলে।
কামধেনু ৰূপ থিতাতে ধৰিলে॥
পৃথুৰে তুৰন্তে পৃথিৱী খীৰালে।
অমৃত পিয়াই জীৱক জীয়ালে॥
জলৰ ওপৰে ধেনু নৌকা প্ৰায়।
তাতে জীৱবোৰ আছে সমুদায়॥
কেচুৱা বাঢ়িব গাখীৰ পানত।
মানুহ শ্ৰীমান ইয়াৰ বানত॥
যিদিনা বাঢ়িব গৰুৰেই দল।
জয় জয় হ'ব পৃথিৱীৰ তল॥

## কৃষ্ণ-গোপাল আৰু হলধৰ অৱতাৰ

কানত নাঙল লই হলধৰ।
অৱতাৰ হ'ল যুগ দ্বাপৰৰ॥
গৰখীয়া হই কৃষ্ণ-কানাই।
পূৰ্ণাৱতাৰ হই বাংশী বজাই॥

প্ৰচাৰিলে বাণী গৰুক পালিবা ।
গৃহতে থাকিয়া স্বৰ্গক পাইবা ॥
মনিচ মাত্ৰৰ ধৰম সিজিব ।
ভুকুতি শান্তি কলিত মিলিব ॥
যদিহে সুবুজা এহিসে ৰহস্য ।
নোহয় তোমাৰ ভগবান বশ্য ॥
বৈৰাগ্য সন্ন্যাস কলিৰ ক্ষণত ।
নহয় ধৰম ৰাখিবা মনত ।
সংসাৰ কৰিবা গৃহক পালিবা ।
ঢোতে বাগৰি ঈশ্বৰ ভজিবা ॥
সংসাৰ যদিহে কলিৰ ধৰ্ম্ম ।
ধৰণী তাৰো যে খেতিৰ কৰ্ম্ম ॥
দেহাৰ স্থিতিৰ কৃষিয়ে বাহন ।
অখণ্ড অঙ্গ গৰুৰ পালন ॥

## মহাদেৱৰ খেতি ( নন্দী পুৰাণ )

ইয়াতে বখানো উপাখ্যান এটি ।
কেনেকে শিৱই কৰিছিল খেতি ॥
নন্দী পুৰাণ মেলি চালে পাবা ।
বঢ়িয়া কথাটি নিজে পঢ়ি চাবা ॥
ভিক্ষাৰ ভকৰি মহাদেৱে লই ।
মগনীয়া হই দ্বাৰে দ্বাৰে গই ॥

মাগি খাই খাই জীৱন কটায়।
পাৰ্ব্বতীয়ে কিন্তু ভাবি লাজ পায়॥
বিষ্ণুৰ কাণত পৰশিলে জান।
পাণ্ডিলে ৰাখোঁহোঁ কেনেকই মান॥
সিদ্ধ চাৰিউকে পঠাইলা বাজ।
কৈলাসে শিৱক দিয়াইলা লাজ॥
ভিক্ষাৰ জোলোঙা দলিয়াই দিলে।
খেতিৰ সঁজুলি গোটাই আনিলে॥
মহাদেউ হাঁহি খেতিলই গ'ল।
পৃথিবীত সুখে ৰই বই গ'ল॥
খেতি পথাৰত হাল কোৰ বাই।
মহাদেৱ আহে গৃহক ধিয়াই॥
ভবানীয়ে থয় অন্ন সিজাই।
মহাদেৱে খায় আকণ্ঠ পূৰাই॥
খোৱাৰ পিছত বাহু দাঙি দাঙি॥
নাচে মহাদেৱ দেহ ভাঙি ভাঙি॥
গণেশ ঠাকুৰে মৃদঙ্গ বজাই।
নাচৰ লাচত ঠোকৰ মিলাই॥
সহধৰ্ম্মিণী পাৰ্ব্বতী আই।
থাকে কেনেকই নেনাচিনো চাই॥
যোগ দিয়ে তাতে থমকা-থমকি।
সেয়ে গৃহবাস সুখৰ চানেকী॥

হৰ-পাৰ্ব্বতীৰ সেয়েসে বাস।
সুখৰ জীৱন মনিচৰ আশ ॥
দৰা-ছোৱালীক হিয়া উদঙ্গাই।
আশীৰ্ব্বাদ এয়ে দিয়ে সৰ্ব্বদায় ॥
বুঢ়া ডেকা শিশু কথা বুজি লবা।
সুখৰ জীৱন কৃষিতে পাবা ॥
কৃষিৰ গুৰিতে গৰুৰ পালন।
গৰু বিনে হয় জীয়াতে মৰণ ॥

## যজুৰ্বেদত গৰুৰ কথা

ব্ৰহ্ম জ্ঞানীক সূৰ্য্যৰ লগত।
দ্যুলোক ভুৱন সমুদ্ৰৰ লগত ॥
বিস্তিৰ্ণ পৃথিবী ইন্দ্ৰৰ লগত।
তুলনা কৰিছে যজুৰ্বেদত ॥
কিন্তু অনন্ত ধৰা-উপকাৰী।
গৰুৰ উপমা নেপায় বিচাৰি ॥

## অথৰ্ব্ব বেদত

সাত্ত্বিক আহাৰ যোগান ধৰি।
নৰ মনিচক উপকাৰ কৰি ॥
ঈশ্বৰ প্ৰদত্ত তৃণ আদি খাই।
পৃথিবী খনকো আহাৰ যোগাই ॥

পশু হৈয়ো গৰু পুণ্য বলত ।
লাভ কৰে ভোগ দেৱৰ লোকত ॥
অথৰ্ব্ব বেদৰ পাত মেলি চোৱা ।
এহি কথাটোৰ সন্তেদ লোৱা ॥

## ভাগৱতত গো-যজ্ঞ

ভাগৱত শাস্ত্ৰ বিচাৰি লোৱা ।
গো-যজ্ঞৰ উৎপত্তি চোৱা ॥
বছৰে বছৰে নন্দ ৰজাই ।
ইন্দ্ৰক যজে যজ্ঞ পতাই ॥
এবাৰ যজ্ঞৰ আয়োজন দেখি ।
কানায়ে সুধিলে পিতাক উদ্দেশি ॥
কিবা আৰম্ভিলা শাস্ত্ৰৰ বিচাৰে ।
কি কৰিব খোজা লোক ব্যৱহাৰে ॥
কৰ্ম্মেসে উপজৈ কৰ্ম্মেসে প্ৰলৈ ।
সুখ-দুখ সব কৰ্ম্মেসে মিলৈ ॥
শুভাশুভ ভুঞ্জে নিজ কৰ্ম্ম ভাগে ।
ইন্দ্ৰ পূজে কিয় ইন্দ্ৰ কৈত লাগে ॥
ইন্দ্ৰক পূজিলে যদি বৰিষয় ।
কৈত গছ বনে পৰ্ব্বতে পূজয় ॥
তথাপি বৰিষে পৰ্ব্বত সঙ্কটে ।
দেখা পিতা একো সম্বন্ধ নঘটে ॥

সপ্ত বৰিষৰ ছাৱাল কানাই ।
তথাপি তর্ক কোনে কাটি যায় ॥
নন্দে গোৱৰ্দ্ধন গিৰিৰ কাষত ।
গো-যজ্ঞ পাতিলে কৃষ্ণ আদেশত ॥
তিনি ৰাতি দিন যজ্ঞ পতাই ।
গৰু ছাগলিক ম্লুৱাই-ধুৱাই ॥
গোপ গণে পিন্ধে বস্ত্ৰ-অলঙ্কাৰ ।
গন্ধে পুষ্পে হ'ল আতি জাতিস্কাৰ ॥
আগতে গোধন লৈয়া বাঁশী বীণ ।
হৰি গুণ গাই কৰে প্ৰদক্ষিণ ॥
খায় ইক্ষু চিৰা গুড় লাড়ু বসি ।
ঘৃতৰ সন্দেশ খায় মসমসি ॥
পিঠা-পনা কত ভুঞ্জে ষড়ৰসে ।
পিয়ে দধি দুধ কলসে কলসে ॥
গৰু বিহু আস্তে উৎপতি গন্ধ ।
ভাগৱত শাস্ত্রে দশম স্কন্ধ ॥
গো ব্ৰাহ্মণৰ এয়েই যজনা ।
নৰ-মনিচৰ মহৎ সাধনা ॥
কানাই-কৃষ্ণই গৰুক পালিলে ।
গো-ৰস দানেৰে জগত তাৰিলে ॥
বেদত সেয়েই অমৃতৰ ৰস ।
গোৱা নৰ সৰে গোবিন্দৰ যশ ॥

যদিহে গৰুক পালন নকৰা ।
ঈশ্বৰ কৃষ্ণৰ বচন নধৰা ॥
হ'বা ঈশ্বৰৰ আজ্ঞা ছেদী ।
অকল্যাণ মাতিবা ব্ৰহ্মাণ্ড ভেদি ॥

# মহাত্মা গান্ধীৰ বাণী

অৱতাৰী লোক গান্ধী মহাত্মাই ।
বুজি লোৱা সৱে গ'ল কি শুনাই ॥
গৰু পালনৰ জ্ঞানৰ অভাৱ ।
অমাৰ্জ্জনীয় অৱহেলা ভাৱ ॥
কচাই খানাত গোধনৰ বধ ।
কাৰণ এহিসে কৰা চাওঁ ৰদ ॥
গৰুৰ ৰক্ষণ গৰুৰ থিতিৰ ।
ধৰ্ম্মতকৈও অৰ্থনীতিৰ ॥
সমস্যা বুলিহে ধৰিব লাগিব ।
নহলে দেশত দাৰিদ্ৰ বাঢ়িব ॥
মূল কথা লই ধন-বিজ্ঞানৰ ।
বিৰোধ নাথাকে ভাল-ধৰমৰ ॥
গৰু পালনত ৰ'ব ধৰ্ম্ম অৰ্থ ।
গৰুৰ ধ্বংসত সকলো ব্যৰ্থ ॥

# ইদিছত হজৰতৰ বাণী

হজৰতে কয় আৰেবী ইদিছত।
শকতি চাইছে জন্তু জীৱক ॥
কামত লগাব নৰ-মনিচৰ।
নহলে হইবে কোপ ঈশ্বৰৰ ॥
জন্তুক মাত্ৰ কাম কৰোৱায়।
আপদাল কিন্তু অলপোকে নাই ॥
তেনে পিশাচৰ কৰ্লৰ পৰা।
কাঢ়ি আনি লই আপদাল কৰা ॥
ধৰ্ম্ম গুৰু সৱে শুনাইছে বাণী।
গৰু পালি যোৱা সৱে কথা জানি ॥

# শ্ৰীমন্ত মাধৱদেৱৰ কথন

দৈত্যাৰি ঠাকুৰ বিৰচিত পুথি।
মেলি চালে পায় বেচ কথা এটি ॥
শ্ৰীমন্ত মাধৱে মিত্তা-ভকতক।
বিধি বিবৰিছে গৰু পালনত ॥
অধৰ্ম্ম কৰাহা মনে গুণি চোৱা।
তিনি প্ৰহৰক লাগি হাল বোৱা ॥
তিনি প্ৰহৰক দামুৰী বান্ধত।
দুগ্ধ মূত্ৰ মাত্ৰ দামুৰী ভোখত ॥

বিষ্ঠা মূত্ৰ খাই     মেলা পথাৰত।
ৰাতি হাল বোৱা     কাহাৰ সন্মত॥
এহি চাৰি গোটা     অধৰ্ম্ম সিজয়।
এহি পাপফলে     অন্নই নাটয়॥
মই এক বোলো     তাহাক কৰিয়ো।
চমু তুপৰক     লাগি হাল্ বায়ো॥
ধেনু সৱ দোহা     প্ৰভাত কালত।
দামুৰী সহিতে     মেলা পথাৰত॥
বেলি পছিমত     পৰাৰ পাছত।
জুৰঁলি নেদিবা     গৰুৰ কান্ধত॥
অন্নে আঁটে নাটে     এহ্ন কৰি চোৱা।
পিছে নিজ ৰীতি     কৰিবাক পোৱা॥
এহিমতে চলি     বৎসৰেক ভৈল।
সেহি বৎসৰতে     ধাৰ শুজা গৈল॥
মিতা ভকতৰ     জয় জয় হ'ল।
অন্নৰ ভুকুতি     ৰই বই গ'ল॥
মহাপুৰুষৰ     বচন পালিবা।
গো-পালনেৰে     দেশক ৰাখিবা॥

# বৰ্ত্তমানে গৰুৰ ওপৰত অত্যাচাৰ

আজি অসমীয়া নিজকে ভাবি চোৰা।
অন্নে নাটে কিয় গমি বুজি লোৱা ॥
গৰুক কৰিছা অতি অত্যাচাৰ।
মঙ্গল নহয় কদাপি তোমাৰ ॥
ওহাৰ ছিগাকৈ গাখীৰ দোহন।
মূৰকত হয় দামুৰী লঘোণ ॥
ব-ছিগা ঘাৰ তেজ বৈ যায়।
এছাৰিৰ খোচে কোনো ৰক্ষা নাই ॥
দিন-দুপৰত খেতি পথাৰত।
পিঠিতেই যায় টিকা-ফটা ৰ'দ ॥
ঘাঁহৰ অভাৱ দানাতো নায়েই।
গোবৰ-মূতেৰে গোহালি গেলেই ॥
শুকান মজিয়া ৰাতি শুবলই।
গৰুৱে নেপাই জীয়ে কেনেকৈ ॥
গতিকে গৰুৱে বাহিৰ বাসত।
শুই ৰও পায় আলি ওপৰত ॥
হাৰা গাড়ী বোৱে কতো প্ৰাণ লয়।
ঠেঙ ভাগি কত আধামৰা হয় ॥
কতোৱে লোকৰ জেওৰা ভাঙিছে।
গুকলা-গুকল মাৰত মৰিছে ॥

কলিয়ে গিয়ান হৰিলে তেনেই।
গতিকে গৰুৰ অৱস্থা এই ॥
কানাই কৃষ্ণ ঈশ্বৰ আমাৰ।
কিয় তেন্তে হোৱে গৰু অত্যাচাৰ ॥
লক্ষ মানুহক গৰুৱে ৰাখিছে।
মুখত একঠা অন্ন যাচিছে ॥
বিশ্বাস-ঘাটক এহি মহাপাপ।
দেশ ৰসাতল বিভু শাওপাত ॥
ক্রিয়া প্রতিক্রিয়া জগতৰ ৰীতি।
গৰুৱে বুজিব মৰম পীৰিতি ॥
প্রতিপাল ভাল ঘাঁহ পানী দান।
তাতেই গৰুৰ জীৱনী প্রাণ ॥
গৰুৱে মানিব হ'ব জয় জয়।
ভাবি চোৱা সবে হয় কি নহয় ॥

## পৃথিবীৰ ক'ত কিমান গৰু আৰু ভাৰতৰ গৰুৰ লগত তুলনা

পয়ষষ্ঠি নিযুত গৰু ৰুচিয়াত।
আঠাৱন নিযুত আমেৰিকাত ॥
সপ্ত নিযুত আছে ইংলণ্ডত।
ওঠৰ কোটি গৰু ভাৰতত ॥

এক তৃতীয়াংশ সমগ্ৰ ধৰাৰ।
গৰু গাই আছে ভাৰতে আমাৰ
এক অষ্টাংশহে মাথোন দুধ।
ভাৰতত পায় জানা নৰলোক।
গড়ত গৰুৰ সত্তৰ জনীয়ে।
ভাৰতত বুজা গাখীৰ নিদিয়ে।
গৰুকে থিতিৰ আশ্ৰয় ধৰি।
ভাল যতনৰ ব্যৱস্থা কৰি॥
অন্যান্য দেশত নদী গাখীৰৰ।
বোৱাই সাধিছে সুখ মনিচৰ॥
সত্তৰ যদিহে অন্যান্য দেশত।
ভাৰততো হ'ব একে যতনত॥

# প্ৰতিপালৰ এক-দুই নিয়ম

জহকালি যদি পোন্ধৰ মিনিট।
পানী ঢালি লই খীৰতী পিঠিত॥
ভালকৈ সদা ৰাখিলে ধুৱাই।
বেচি-বেচিকৈ গাখীৰ ওলায়॥
গৰুৰ পিঠিত ছুপৰৰ ৰ'দ।
পৰিলে গৰুৱে নেপায় জুং॥

ভিতৰত বেচি তাপে ভেজি যায়।
গৰু ৰোগী হয় শুকাই খীণাই ॥
অভিজ্ঞ লোকৰ পৰীক্ষাত পোৱা।
সততে ইবোৰ উপদেশ লোৱা ॥
পুৰুষে পুৰুষে মানুহ বাঢ়িছে।
ক্ৰমাৎ গোচাৰ কমিব লাগিছে ॥
ঘঁাহনি কৰিবা খুৱাইবা দানা।
হ'ব গৰু বৰ নহৈব ধেনা ॥
ষঁাড় পাল-খোৱা গাৰ্ঁত পালিবা।
বৰ বৰ গৰুৰ সৰ্চক লভিবা ॥.
গৰুৰ উন্নতি নিশ্চয় হবই।
নৰ-মনিচৰ জীৱন ৰ'বই ॥

## সামৰণ বচন

ডাক পণ্ডিতে শুনাইছিল বাণী।
তাৰে শেষ কৰো দোহাবিসে আনি ॥
"বলদক ভাই নেদিবাহা দুখ।
তাহাতেসে আছে ভাৰতৰ সুখ।
গাৱঁৰ বলদ নিকটৰ ভূঁই।
ইহাক নেৰিবা জানন্তা দুই ॥
সুযুজা বিচাৰি কিনিবাহা গাই।
সৰুমুৱা পাছ ডাঙৰসে চাই ॥

বুজা নৰলোক গৰুৰ ৰহস্য ।
সং অভিজান সৰহোৱা শস্য ॥
দুয়োটাই অঙ্গ অপৰিহাৰ্য্য ।
আজি ভাৰতৰ এহিসে কাৰ্য্য ॥

কৃষ্ণায় বাসুদেৱায় দেবকীনন্দনায় চ ।
নন্দগোপ কুমাৰায় গোবিন্দায় নমোনমঃ ॥

ওঁ শান্তি ।

# জাননী

তলত দিয়া কিতাপবিলাক আমাৰ ওচৰত পাব।

| | | | |
|---|---|---|---|
| তেৰখনীয়া বৰকৰতী | ৵০ | শ্ৰীশ্ৰীকৃষ্ণৰ অষ্টোত্তৰ শতনাম… | ৶০ |
| বৈষ্ণৱী কীৰ্ত্তন … | ৴৶ | কুমৰ হৰণ … | ১৲ |
| অৰ্জ্জুন সংবাদ .. | ৷ | গুণমালা … | ৷৵০ |
| ভীম-চৰিত্ৰ … | ৷৷৵০ | ভটিমা .. | ৷৴০ |
| কাণকোৱা .. | ৶০ | নামঘোষা ( ডাঙৰ ) … | ১৷০ |
| শুমন্ত-হৰণ … | ৶০ | বড়গীত … | ১৷৵০ |
| শ্ৰীকৃষ্ণ-গীতা .. | ৩৷৷০ | লক্ষ্মীচ ৰত্ৰ … | ৶০ |
| ভক্তি-ৰত্নাকৰ … | ৪৲ ৫৲ | হুচৰি কীৰ্ত্তন … | ৷৷০ |
| শ্ৰীশ্ৰীআদিযামল … | ১৷৷০ | ব্ৰাহ্মণ ক্ৰিয়াসাৰ … | ৸০ |
| বিয়ানাম আগছোৱা … | ৷৷০ | নল-দময়ন্তী ( নাটক ) … | ১৷০ |
| বিয়ানাম মাজছোৱা … | ১৲ | ভীষ্মৰ শৰশয্যা ( নাটক ) … | ৷৷০ |
| নামাঞ্জলি … | ১৷৷০ | ভোটৰ ৰগৰ ( নাটক ) … | ৷০ |
| ৰাষ্ট্ৰীয় সঙ্গীত .. | ৷৵০ | বলিচলন ( নাটক ) · | ৸০ |
| শ্ৰীমদ্ভগৱদগীতা (অসমীয়া ভাঙনি সহ | ৫৲ | শ্ৰীকৃষ্ণৰ জন্মাষ্টমী নাম প্ৰসঙ্গ .. | ৷৷০ |
| | | কীৰ্ত্তন ঘোষা … | ৬৲ |

ইয়াৰ উপৰিও স্কুল কলেজৰ পাঠ্যপুথি, নাটক, উপন্যাস, সাধুৰ কিতাপ, প্ৰাইজ আৰু লাইব্ৰেৰীৰ কিতাপ পোৱা যায়।

**ৰৰকটকী কোম্পানী,**
**যোৰহাট।**

---

যোৰহাট, অন্নদা প্ৰিণ্টিং হাউচত,
শ্ৰীগৌৰীচৰণ বৰকটকীৰ দ্বাৰা ছাপা কৰা হল।